জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৭৮/২০২২**

# কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয় উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৰাজ্যখনৰ প্ৰতিজন নাগৰিকৰ বাবে আধুনিক স্বাস্থ্যসেৱা সুলভ আৰু সহজে উপলব্ধ হোৱাৰ দিশত ৰাজ্য চৰকাৰে নিৰন্তৰ কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** অসমৰ স্বাস্থ্যসেৱা খণ্ডৰ আন্তঃগাঁথনিৰ সবলীকৰণৰ বাটত এক উল্লেখনীয় পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাৰ জখলাবন্ধাত কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়খন উদ্বোধন কৰে। উল্লেখ্য যে ১৬.২৫ কোটি টকা ব্যয়ৰে নিৰ্মিত এই অত্যাধুনিক চিকিৎসালয়খন চিকিৎসা বিজ্ঞানৰ শেহতীয়া প্ৰযুক্তিৰে সু-সজ্জিত।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই চিকিৎসালয়খনে জনসাধাৰণক উন্নত মানদণ্ডৰ চিকিৎসা প্ৰদান কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে চিকিৎসালয়খনক ২০০ খন বিছনাযুক্ত এখন নতুন জিলা হাস্পতাললৈ ৰূপান্তৰ সাধন কৰা হ'ব। তেওঁ কয় যে স্বাস্থ্য খণ্ডৰ সৰ্বাংগীন উন্নয়ন সাধনৰ বাবে কেইবাটাও বছৰ ধৰি নিৰন্তৰভাৱে কাম কৰি অহা হৈছে। স্বাস্থ্য সেৱা সহজেই উপলব্ধ হোৱা আৰু সৰ্বসাধাৰণ মানুহে যাতে স্বাস্থ্য সেৱা লাভ কৰিব পাৰে তাৰ বাবে চৰকাৰে কাম কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বতে ৰাজ্যখনত তিনিখন চিকিৎসা মহাবিদ্যালয় আছিল। বৰ্তমান সেই মহাবিদ্যালয়ৰ সংখ্যা ৯ খনলৈ বৃদ্ধি হৈছে। অহা বছৰ আন তিনিখন চিকিৎসা মহাবিদ্যালয়ৰ কাম-কাজ আৰম্ভ হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে সকলোৰে বাবে স্বাস্থ্যসেৱা সুনিশ্চিত কৰাৰ লক্ষ্যৰে ২০২৬ চনৰ ভিতৰত সৰ্বমুঠ ১৬ খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰিছে।

ৰাজ্যখনৰ কৰ্কট ৰোগৰ চিকিৎসাৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বতে অসমত বি বৰুৱা কেন্সাৰ প্ৰতিষ্ঠান অথবা মুম্বাইলৈ গৈ কৰ্কট ৰোগীসকলে চিকিৎসা সেৱা লাভ কৰিবলগীয়া হৈছিল। তেওঁ কয় যে ৰাজ্য চৰকাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত এখন নতুন কৰ্কট চিকিৎসালয় স্থাপন কৰিছে। প্ৰধানমন্ত্ৰীয়ে ৭ খন কৰ্কট চিকিৎসালয় আৰম্ভ কৰাৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চলিত বিত্তীয় বৰ্ষৰ ভিতৰত আন তিনিখন কৰ্কট চিকিৎসালয় আৰম্ভ কৰা হ'ব। অহা তিনি বছৰৰ ভিতৰত ১৮ খন কৰ্কট চিকিৎসালয় নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনে আজি ১,১০০ গৰাকী চিকিৎসক লাভ কৰিবলৈ সক্ষম হৈছে। অটল অমৃত অভিযান আৰু প্ৰধানমন্ত্ৰীৰ আয়ুষ্মান ভাৰতৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যিসকল পৰিয়ালৰ

ৰেচন কাৰ্ড আছে তেওঁলোকক চৰকাৰে আয়ুষ্মান ভাৰত কাৰ্ড দিব বিচাৰিছে। এই কাম কৰিব পাৰিলে ৮৫ শতাংশ মানুহ উপকৃত হ'ব পাৰিব। তেওঁ লগতে কয় যে আয়ুষ্মান ভাৰতক আয়ুষ্মান অসমলৈ ৰূপান্তৰ কৰি চৰকাৰে স্বাস্থ্যসেৱাৰ সুবিধা উপলব্ধ কৰাৰ দিশতো কাম কৰিব বিচাৰিছে।

মুখ্যমন্ত্ৰীয়ে চিকিৎসালয়খনৰ বাবে চিটি স্কেন, আলট্ৰাচাউণ্ড মেচিন আদি উচ্চমানৰ সঁজুলি দান কৰাৰ বাবে বয়িং ইণ্ডিয়ালৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ মিছন সঞ্চালক এম এছ লক্ষ্মীপ্ৰিয়াই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত স্বাস্থ্য মন্ত্ৰী তথা কলিয়াবৰ সমষ্টিৰ বিধায়ক কেশৱ মহন্ত, পৰিবহণ মন্ত্ৰী তথা জিলাৰ অভিভাৱক মন্ত্ৰী পৰিমল শুক্লবৈদ্যও ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীক এগৰাকী দূৰদৰ্শী নেতা হিচাপে অভিহিত কৰে। কলিয়াবৰ মহকুমা আৰু নগাঁৱ জিলাত চলি থকা সকলো উন্নয়নমূলক কাম-কাজ নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত সম্পূৰ্ণ হোৱাতো নিশ্চিত কৰাৰ বাবে ব্যক্তিগতভাৱে আগ্ৰহ দেখুওৱাৰ বাবেও মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত বয়িং ইণ্ডিয়াৰ ছীফ অব ষ্টাফ প্ৰবীণা ইয়াংগমভটকে ধৰি নগাঁও জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক প্ৰমুখ্যে অন্যান্য গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে শিলঘাটৰ শ্ৰীশ্ৰী মা কামাখ্যা দেৱালয়লৈ গৈ ৰাজ্যৰ জনসাধাৰণৰ কুশল-মংগল কামনা কৰি সেৱা আগবঢ়ায়।

**আয়ন/পুঃ ডেঃ**
**১৪/০৯/২০২২**